**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-JUNE-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

——————————————————

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি লোকসেৱা ভৱনত ৰাজ্যিক মন্ত্ৰীসভাৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকৰ অন্তত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে অহা এক জুলাইৰ পৰা বিকশিত ভাৰত জিৰামজি আঁচনি ৰূপায়ণ কৰা হ'ব। এই আঁচনিৰ জৰিয়তে গ্ৰাম্য নিয়োগ নিশ্চিত কৰাৰ লগতে সম্পদ সৃষ্টিত গুৰুত্ব আৰোপ কৰা হ'ব আৰু আঁচনিখন ৰূপায়ণ কৰাৰ বাবে চলিত বৰ্ষত দুহেজাৰ কোটি টকা ব্যয় কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই আঁচনিৰ অধীনত পূৰ্বৰ ৯০ দিনৰ পৰিৱৰ্তে এতিয়া ১২৫ দিনৰ বাবে গাৱৰ জনসাধাৰণৰ বাবে নিশ্চিত নিয়োগৰ সুবিধা প্ৰদান কৰা হ'ব।

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে মন্ত্ৰীসভাই লোকপ্ৰিয় গোপানীথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ আশেপাশে ছেটেলাইট চিটি নিৰ্মাণৰ উদ্দেশ্যে গুৱাহাটী ছেটেলাইট চিটি উন্নয়ন প্ৰাধিকৰণ গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। গুৱাহাটী মহানগৰৰ বৰ্তমানৰ সীমাৰ ভিতৰতে এই প্ৰকল্প আবদ্ধ থাকিব বুলি তেওঁ সাংবাদিকৰ আগত প্ৰকাশ কৰে।

০০০০০০

ডিব্ৰুগড় জিলা অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত আৰু অভিযানৰ ৰাজ্যিক কাৰ্যালয়ৰ সহযোগত জিলাখনৰ বৰবৰুৱা উন্নয়ন খণ্ডৰ অন্তৰ্গত বৰপথাৰ গাঁৱত ২৭ বিধ বিলুপ্তপ্ৰায় থলুৱা ধানৰ বীজ পুনৰ উদ্ধাৰৰ বাবে কাৰ্যসূচী লোৱা হৈছে। প্ৰাকৃতিক কৃষি পদ্ধতিৰ জৰিয়তে এই বীজ পুনৰ উদ্ধাৰৰ বাবে বিস্তৃত কৃষি কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই উপলক্ষে কালি ডিব্ৰুগড় জিলা গ্ৰামীণ জীৱিকা অভিযানৰ প্ৰকল্প পৰিচালক অনিন্দ্য ভূঞাৰ তদাৰকত প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্যসূচীত ৰাষ্ট্ৰসংঘৰ স্বীকৃতিপ্ৰাপ্ত বিশিষ্ট কৃষি উদ্যোগী সমীৰ বৰদলৈ আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ প্ৰকল্প পৰিচালক অনিৰ্বাণ ৰয় উপস্থিত থাকে। কাৰ্যসূচীৰ অংশ হিচাপে আজি খোৱাং সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈ আৰু জিলা আয়ুক্তৰ উপস্থিতিত ন-ভূঁই ৰোৱা কাৰ্যসূচী আৰম্ভ কৰা হ'ব।

০০০০০০

শিলিগুড়ি-শিলচৰ সংযোগী পথ নিৰ্মাণৰ কাম চলি আছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ ১২ বছৰীয়া সফল কাৰ্যকালৰ বাবে কালি  গুৱাহাটীৰ বাজপেয়ী ভৱনত সংবাদগোষ্ঠীৰ সম্পাদকৰ সৈতে হোৱা কথোপকথনত মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই কথা প্ৰকাশ কৰে।

**(বাইট ঃ ড০ শৰ্মা)**

ৰাজ্যত ৰূপায়ণ হ'বলগীয়া উন্নয়নমূলক প্ৰকল্প আৰু পথ যোগাযোগ পৰিকল্পনাৰ বিষয়ে সদৰী কৰি তেওঁ কয়, যে গুৱাহাটী-তিনিচুকীয়াৰ মাজত এক্সপ্ৰেছ ক'ৰিড'ৰ নিৰ্মাণ কৰা হ'ব। তেওঁ লগতে বাইহাটা চাৰিআলিৰ পৰা মিছন চাৰিআলিলৈ শীঘ্ৰে চাৰিটা লেনযুক্ত পথ নিৰ্মাণ কৰা হ'ব বুলি ঘোষণা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী মোদীয়ে যোৱা ১২ বছৰত অসমৰ বিকাশৰ বাবে ব্যতিক্ৰমী আৰু আন্তৰিকতাপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী এগৰাকী হিতৈশীৰূপত অসমক আগুৱাই লৈ গৈছে বুলিও

তেওঁ মন্তব্য কৰে। অসমে চলিত বৰ্ষত ৰাজহ কৰৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰায় ৫০ হাজাৰ কোটি টকা লাভ কৰিব বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে পূৰ্বতে কোনো চৰকাৰে ৰাজ্যক এই পৰ্যায়ৰ বিত্তীয় সমৰ্থন দিয়া নাছিল। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰা এই সমৰ্থনৰ বাবেই অসমৰ মুঠ ঘৰুৱা উৎপাদন যথেষ্ট বৃদ্ধি পাইছে। চলিত বৰ্ষত ৰাজ্যৰ মুঠ জনমুৰি আয় আঠ লাখ ৭০ হাজাৰ কোটি টকা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে ২০২২-২৩ বিত্তীয় বৰ্ষত ৰাজ্যৰ ৮০ লাখ লোক দৰিদ্ৰতাৰ গ্ৰাসৰ পৰা মুক্ত হৈছে আৰু ইয়াৰ ফলত এটা নতুন মধ্যবিত্ত শ্ৰেণীৰ জন্ম হোৱা বুলি প্ৰকাশ কৰে। নীতি আয়োগৰ বৈঠকৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয়, যে ২০২০-২৫ চনৰ ভিতৰত দেশৰ বিকাশৰ হাৰ ২৯ শতাংশ হোৱাৰ বিপৰীতে বিগত পাঁচ বছৰত অসমৰ বিকাশৰ হাৰ ৪৫ শতাংশ হৈছে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ তথ্য অনুসৰি অসম দ্ৰুত বিকাশৰ দিশে গতি কৰা ৰাজ্য হিচাপে পৰিগণিত হৈছে।

০০০০০০

যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত কালি জিলা আয়ুক্ত জয় শিৱানীৰ অধ্যক্ষতাত জিলা পানী আৰু অনাময় মিছনৰ এখন সভা অনুষ্ঠিত হয়। জিলাখনত ৰূপায়ণ হৈ থকা জলজীৱন মিছন আৰু স্বচ্ছভাৰত মিছন গ্ৰামীণৰ কাৰ্যসূচীৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে আঁচনি কেইখনৰ পুংখানুপুংখভাৱে পৰ্যালোচনা কৰা হয়। এই সভাত যোৰহাট জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ কুমাৰ বৰুৱা, তিতাবৰ, টীয়ক আৰু মৰিয়নীৰ সম জিলা আয়ুক্তসকল, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী আৰু সহকাৰী অভিযন্তাসকল, লোকনিৰ্মাণ পথ বিভাগৰ কাৰ্যবাহী অভিযন্তাসকলৰ লগতে সংশ্লিষ্ট বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

০০০০০০

**সমাপ্ত**